স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ
অসম চৰকাৰ
দিছপুৰ, গুৱাহাটী-৭৮১০০৬

নং- এইচএলএ ২৭৪/২০২০/১৭৮ তাৰিখ ঃ দিছপুৰ, ৮ জানুৱাৰী, ২০২২

ক'ভিড পজিটিভ ব্যক্তিৰ গৃহ আছুতীয়াকৰণৰ নিৰ্দেশনাৱলী

সম্প্ৰতি, সম্ভৱতঃ শেহতীয়াকৈ চিনাক্ত কৰা প্ৰকাৰ বি১.১.৫২৯ (অ'মিক্ৰন)ৰ বাবে দেশ আৰু ৰাজ্যত ক'ভিড-১৯ মহামাৰীৰ তৃতীয় ঢৌৰ প্ৰকোপ দেখা গৈছে;

আনহাতে, ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে বিগত ৫ জানুৱাৰী, ২০২২ তাৰিখে ক'ভিড-১৯ প'জিটিভ ৰোগীসকলৰ বাবে গৃহ আছুতীয়াকৰণৰ পৰিৱৰ্ধিত নিৰ্দেশনা জাৰি কৰিছে আৰু অসম চৰকাৰে পূৰ্বতে সময়ে সময়ে বিভিন্ন গৃহ আছুতীয়াকৰণৰ নিৰ্দেশনা জাৰি কৰিছিল;

সম্প্ৰতি, দেখা যায় যে ক'ভিড-১৯ৰ বেছি সংখ্যক আক্ৰান্ত ৰোগী লক্ষণহীন বা অতি মৃদু লক্ষণ থাকে আৰু এনে ৰোগীক সাধাৰণতে সঠিক চিকিৎসা নিৰ্দেশনা আৰু নিৰীক্ষণৰ অধীনত গৃহ আছুতীয়াকৰণৰ সহায়ত আৰোগ্য কৰিব পৰা যায়;

আনহাতে, ৰাজ্য চৰকাৰে এইক্ষেত্ৰত সকলো চিকিৎসা মহাবিদ্যালয় আৰু প্ৰান্তীয় চিকিৎসালয়ত পেডিয়াট্ৰিক আইচিইউসহ চিকিৎসালয়ৰ বিছনা, অক্সিজেন আৰু ভেণ্টিলেটৰ সমৰ্থিত আইচিইউ বিছনাৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে সকলো প্ৰচেষ্টা চলাই আছে;

আনহাতে, ক'ভিডৰ মৃদু প্ৰকৃতিৰ লক্ষণবোৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যত লক্ষণহীন ক'ভিড প'জিটিভ ব্যক্তিৰ লক্ষণগত আৰু গুৰুতৰভাৱে আক্ৰান্ত হোৱা লোকক প্ৰাধান্য দিয়াৰ লগতে আটাইতকৈ দৰিদ্ৰ লোকক উন্নত মানদণ্ডৰ চিকিৎসা প্ৰদান কৰাৰ প্ৰয়োজনীয়তা বোধ কৰিছে;

আনহাতে, ৰাজ্যখনত বৃহৎ সংখ্যক ক'ভিড প'জিটিভ ৰোগীৰ সংখ্যা বৃদ্ধিৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যজুৰি টেলিমেডিছিন সেৱা আৰু গৃহ আছুতীয়াকৰণত থকা ব্যক্তিসকলৰ চিকিৎসা সেৱা প্ৰণালী শক্তিশালী কৰা হৈছে;

সেয়েহে, ৰাজ্যৰ শেহতীয়া ক'ভিড পৰিস্থিতি মোকাবিলা কৰিবৰ বাবে লক্ষণহীন ক'ভিড প'জিটিভ ৰোগীৰ অসুবিধাসমূহ দূৰ কৰাৰ অৰ্থে নিৰ্দেশনাৰ মুখ্য বিশেষত্ববোৰ বাছনি কৰি নিম্নলিখিত এছ.অ'.পি. জাৰি কৰা হৈছে;

১) বৰ্তমানৰ নিৰ্দেশনাবোৰ ক'ভিড-১৯ত আক্ৰান্ত ৰোগীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। গৃহ আছুতীয়াকৰণ হ'বলৈ ইচ্ছুক ক'ভিড-১৯ৰ মৃদু লক্ষণহীন ব্যক্তিসকলক সঠিক মূল্যাংকন কৰি স্ব-প্ৰতিশ্ৰুতিৰ দ্বাৰা সমৰ্থিত সকলো নিৰ্দেশনা অনুসৰণ কৰি গৃহ আছুতীয়াকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ (পৰিশিষ্ট ১অনুসৰি) জনোৱা হ'ল।

২) পৰীক্ষাগাৰত পৰীক্ষণৰ দ্বাৰা নিশ্চিত কৰিছে যে কোনো মৃদু লক্ষণ থকা বা একেবাৰে লক্ষণহীন ৰোগী গৃহ আছুতীয়াকৰণত থকাৰ সময়ত কোঠাৰ বায়ুত অক্সিজেনৰ সংপৃক্ততা ৯৩% তকৈ অধিক থাকিলে লক্ষণহীন ৰোগী হিচাপে গণ্য কৰা হ'ব।

৩) জ্বৰ নথকা, উশাহ চুটি নোহোৱা অথবা শ্বাস-প্ৰশ্বাসত অসুবিধা নথকা বা কোঠাৰ বায়ুত অক্সিজেনৰ সংপৃক্ততা ৯৩% তকৈ অধিক থকা স্বতেও মৃদু লক্ষণযুক্ত ৰোগীক চিকিৎসা বিষয়াৰ দ্বাৰা চিকিৎসা প্ৰদান কৰা হ'ব।

৪) গৃহ আছুতীয়াকৰণৰ বাবে তেওঁলোকৰ বাসগৃহত প্ৰয়োজনীয় সুবিধা থাকিব লাগিব আৰু আছুতীয়াকৰণত থকাৰ সময়ত পৰিয়ালৰ সদস্যৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন হ'ব লাগিব।

৫) এজন যত্ন লওঁতা (যিয়ে ক'ভিড-১৯ৰ দুয়োপালি টিকাকৰণ সম্পূৰ্ণ কৰিছে)গৰাকী ২৪×৭ যত্ন প্ৰদান কৰিবলৈ প্ৰস্তুত থাকিব লাগিব।

৬) গৃহ আছুতীয়াকৰণত থকা সময়ছোৱাত যত্ন লওঁতা আৰু চিকিৎসা বিষয়াৰ মাজত যোগাযোগ ৰাখিব লাগিব।

৭) ৬০ বছৰতকৈ অধিক বয়সৰ বৃদ্ধ ৰোগী আৰু বিভিন্ন ৰোগৰ উপসৰ্গ থকা যেনে— উচ্চ ৰক্তচাপ, মধুমেহ, হৃদৰোগ, দীৰ্ঘম্যাদী হাঁওফাঁও/যকৃত /বৃক্ক ৰোগ, চেৰেব্ৰোভাস্কুলাৰ ৰোগ থকা ব্যক্তিক চিকিৎসা বিষয়াৰ দ্বাৰা মূল্যাংকন কৰাৰ পিছত চিকিৎসকৰ পৰামৰ্শ অনুসৰিহে গৃহ আছুতীয়াকৰণৰ অনুমতি দিয়া হ'ব।

৮) শাৰীৰিকভাৱে দুৰ্বল বা ৰোগ প্ৰতিৰোধ স্থিতিত ভূগি থকা ৰোগীৰ (এইচ.আই.ভি., অংগ সংৰোপণ, কৰ্কট ৰোগৰ চিকিৎসা ইত্যাদি) ক্ষেত্ৰত পোনপটীয়াকৈ গৃহ আছুতীয়াকৰণৰ বাবে পৰামৰ্শ দিয়া নহয়, কেৱল চিকিৎসা বিষয়াৰ দ্বাৰা সঠিক মূল্যাংকনৰ পিছতহে গৃহ আছুতীয়াকৰণৰ অনুমতি প্ৰদান কৰা হ'ব।

৯) যদি ৰোগী এজনক গৃহ আছুতীয়াকৰণৰ অনুমতি দিয়া হয়, তেওঁৰ ক্ষেত্ৰত গৃহ আছুতীয়াকৰণৰ নীতি অনুসৰি পৰিয়ালৰ আন সকলো সদস্যসহ অন্যান্য ব্যক্তিৰ সৈতে সম্পৰ্ক স্থাপনত নিষেধাজ্ঞা থাকিব।

ৰোগীৰ বাবে নিৰ্দেশনা

১০) এনে ৰোগীয়ে নিজকে পৰিয়াল অথবা ওচৰ-চুবুৰীয়াৰ আন সদস্যৰ পৰা পৃথক কৰিব লাগিব, নিৰ্দিষ্ট এটা কোঠা আৰু পৰিয়ালৰ আন লোকৰ পৰা আঁতৰত, বিশেষকৈ বৃদ্ধ আৰু দুৰ্বল অথবা ৰোগ প্ৰতিৰোধ স্থিতিত ভূগি থকা ৰোগী, উচ্চ ৰক্তচাপ, কাৰ্ডিঅ'ভাস্কুলাৰ ৰোগ, বৃক্ক ৰোগ আদিৰ দৰে ৰোগজনিত স্থিতিত থকা লোকসকলৰ পৰা।

১১) এনে ৰোগীয়ে ক্ৰছ ভেণ্টিলেচন আৰু খিৰিকীৰ সৈতে ভালদৰে বতাহ চলাচল কৰা কোঠা এটাত থাকিব লাগে আৰু সতেজ বায়ু আহিব পৰাকৈ কোঠাটোৰ খিৰিকীসমূহ খোলা ৰাখিব লাগিব।

১২) ৰোগীয়ে সকলো সময়তে ট্ৰিপল লেয়াৰ মেডিকেল মাস্ক ব্যৱহাৰ কৰিব লাগিব। মাস্ক ব্যৱহাৰ কৰাৰ ৮ ঘণ্টাৰ পিছত বা আগতে যদি মাস্কখন তিতা হয় বা দৃশ্যমানভাৱে লেতেৰা হয় তেন্তে মাস্কখন পৰিহাৰ কৰাটো বাঞ্ছনীয়। যত্ন লওঁতাই ৰোগী আছুতীয়াকৰণত থকা কোঠাটোত প্ৰৱেশ কৰাৰ সময়ত যত্ন লওঁতা আৰু ৰোগী উভয়ে এন-৯৫ মাস্ক পৰিধান কৰাটো বাঞ্ছনীয়।

১৩) ন্যূনতম ৭২ ঘণ্টা ব্যৱহৃত মাস্কসমূহ টুকুৰা টুকুৰ কৰি এটা কাগজৰ বেগ তৈয়াৰ কৰি তাৰ ভিতৰত ভৰাই পেলাই দিয়া উচিত।

১৪) ৰোগীয়ে শৰীৰত পৰ্যাপ্ত তৰলৰ পৰিমাণ বজাই ৰাখিবলৈ বিশ্ৰাম ল'ব লাগিব আৰু যথেষ্ট পৰিমাণৰ তৰল সেৱন কৰিব লাগিব আৰু সকলো সময়তে শ্বাস-প্ৰশ্বাসৰ মাত্ৰা সঠিক হয়নে নহয় অনুসৰণ কৰিব লাগিব।

১৫) ৰোগীয়ে কমেও ৪০ ছেকেণ্ডৰ বাবে চাবোন আৰু পানীৰে সঘনাই হাত ধুব লাগিব বা এলক'হলযুক্ত চেনিটাইজাৰেৰে পৰিষ্কাৰকৈ হাত দুখন চেনিটাইজ কৰি ৰাখিব লাগিব।

১৬) ৰোগীয়ে খাদ্য গ্ৰহণ কৰা বাচন-বৰ্তনসহ ব্যক্তিগত সামগ্ৰীসমূহ পৰিয়ালৰ অথবা ওচৰ-চুবুৰীয়াৰ আন সদস্যৰ সৈতে ভাগ-বাতোৰাৰা কৰিব নালাগিব।

১৭) কোঠাটোৰ সঘনাই স্পৰ্শ কৰা সামগ্ৰীসমূহ (টেবুলটপ, দৰ্জাৰ নব্‌ছ, হেণ্ডেল, ইত্যাদি) চাবোন/ডিটাৰ্জেণ্টযুক্ত পানীৰে ধুই পৰিষ্কাৰ কৰি ৰাখিব।প্ৰয়োজনীয় সাৱধানতা অনুসৰণ কৰি ৰোগী বা যত্ন লওঁতাই ব্যৱহাৰ কৰা মাস্ক আৰু হাতমোজা পৰিষ্কাৰকৈ ধুই ৰাখিব লাগে।

১৮) পাল্‌চ অক্সিমিটাৰৰ দ্বাৰা ৰোগীৰ তেজত অক্সিজেনৰ সংপৃক্ততাৰ স্ব-নিৰীক্ষণ কৰাৰ পৰামৰ্শ প্ৰদান কৰক।

১৯) ৰোগীয়ে দৈনিক উষ্ণতা নিৰীক্ষণৰ সৈতে তেওঁৰ স্বাস্থ্য স্ব-নিৰীক্ষণ কৰিব (তলত দিয়াধৰণে) আৰু যদি লক্ষণৰ কোনো অৱনতি প্ৰত্যক্ষ কৰে তৎক্ষণাৎ প্ৰতিবেদন দাখিল কৰক। ৰোগীৰ সেই সময়ৰ স্থিতি সম্পৰ্কে চিকিৎসাকাৰী চিকিৎসা বিষয়াৰ লগত অথবা নিৰীক্ষণকাৰী দল/নিয়ন্ত্ৰণ কক্ষৰ সৈতে তৎক্ষণাত যোগাযোগ কৰক।

যত্ন লওঁতাৰ বাবে নিৰ্দেশনা

২০) যত্ন লওঁতাই ট্ৰিপল লেয়াৰ মেডিকেল মাস্ক পিন্ধিব লাগিব। এন-৯৫ মাস্ক পৰিধান কৰিহে অসুস্থ ব্যক্তিজনৰ সৈতে একেটা কোঠাতে থকাটো বিবেচনা কৰিব পাৰি।

২১) ব্যৱহাৰ কৰা মাস্কখন পিন্ধাই দিয়া বা মাস্কখনৰ সন্মুখ ভাগ স্পৰ্শ কৰিব নালাগে। যদি মাস্কখন তিতা বা লেতেৰা হয় শীঘ্ৰে পৰিষ্কাৰ অথবা সলনি কৰিব লাগিব।

২২) ন্যূনতম ৭২ ঘণ্টা ব্যৱহাৰ হোৱা মাস্কসমূহ টুকুৰা টুকুৰ কৰি এটা কাগজৰ বেগত ভৰাই পেলাই দিব লাগে আৰু হাত দুখন পৰিষ্কাৰকৈ ধুই পেলাব লাগে।

২৩) তেওঁ নিজৰ নাক-মুখ স্পৰ্শ কৰা পৰিহাৰ কৰিব লাগে।

২৪) আক্ৰান্ত ব্যক্তিৰ সংস্পৰ্শলৈ অহাৰ পিছত শীঘ্ৰে হাত দুখন আৰু ঠাইডোখৰ পৰিষ্কাৰ কৰাটো বাঞ্ছনীয়। হাত দুখন কমেও ৪০ ছেকেণ্ড চাবোন আৰু পানীৰে পৰিষ্কাৰকৈ ধুব লাগে। চাবোন, পানী আৰু এলক'হলযুক্ত চেনিটাইজেৰেৰে হাত দুখন পৰিষ্কাৰ কৰাৰ পিছতো যদি হাত দুখন লেতেৰা হৈ থকাটো প্ৰত্যক্ষ কৰে তেন্তে হাত দুখন শুকান কৰাৰ বাবে ডিচপ'জেবল কাগজৰ টাৱেল ব্যৱহাৰ কৰাটো বাঞ্ছনীয়।

২৫) তেওঁ শৰীৰৰ তৰল (শ্বাসতন্ত্ৰ, মুখৰ নিঃসৰণ)ৰ সৈতে ৰোগীৰ লেলাৰতিসহ পোনপটীয়া সংস্পৰ্শ পৰিহাৰ কৰিব লাগে। ৰোগীক আল-পৈচান ধৰাৰ সময়ত ডিচপ'জেবল হাতমোজা ব্যৱহাৰ কৰিব। হাতমোজা পিন্ধাৰ আগত আৰু খোলাৰ পিছত হাত দুখন পৰিষ্কাৰ কৰক।

২৬) তেওঁ তাৎক্ষণিকভাৱে সাম্ভাব্য দূষিত সামগ্ৰী অথবা পৰিৱেশ (যেনে— বাচন-বৰ্তন, খাদ্যবস্তু, পানীয়, ব্যৱহৃত টাৱেল বা বিছনা) আদিৰ সৈতে সংস্পৰ্শ পৰিহাৰ কৰিব লাগে।

২৭) ৰোগীক তেওঁৰ কোঠাত খাদ্য প্ৰদান কৰিব লাগিব। ৰোগীয়ে ব্যৱহাৰ কৰা বাচন-বৰ্তনসমূহ হাতমোজা পিন্ধি চাবোন অথবা ডিটাৰ্জেণ্টযুক্ত পানীৰে পৰিষ্কাৰ কৰিব লাগে। সঠিকভাৱে পৰিষ্কাৰ কৰাৰ পিছতহে বাচন-বৰ্তনবোৰ পুনৰ ব্যৱহাৰ কৰিব লাগে।

২৮) ৰোগীয়ে ব্যৱহাৰ কৰা সাধাৰণ আৱৰ্জনা যেনে— ডিচপ'জেবল সামগ্ৰী, ব্যৱহৃত খাদ্যৰ অৱশিষ্ট, পেকেট, ফলৰ বাকলি, ব্যৱহৃত পানীৰ বটল, পেলনীয়া খাদ্য, ডিচপ'জেবল খাদ্য প্লেট আদি পেলোৱা স্থান সুনিশ্চিত কৰিব লাগে। সেইবোৰ সুৰক্ষিতভাৱে এখন মোনাত বান্ধি নিষ্কাষণকাৰীক গতাই দিব লাগে।

২৯) লগতে, ব্যৱহৃত মাস্ক, হাতমোজা আৰু কাপোৰ বা তেজৰ দ্বাৰা দূষিত হোৱা ব্যৱহৃত চিৰিঞ্জ, ঔষধ আদিকে ধৰি ক'ভিড-১৯ ৰোগীৰ শৰীৰৰ তৰলবোৰ জৈৱ চিকিৎসা আৱৰ্জনা হিচাপে গণ্য কৰিব লাগে আৰু সেই অনুসৰি এখন হালধীয়া মোনাত আৱৰ্জনাসমূহ একগোট কৰি থ'ব লাগে আৰু আৱৰ্জনা সংগ্ৰাহকক পৃথকে পৃথকে গতাই দিব লাগে, যাতে অন্য লোকলৈ ৰোগবিধ বিয়পিব নোৱাৰে। অন্যথা সেইবোৰ গভীৰ গাত খান্দি পুতি থ'ব লাগে, যাতে নিগনি বা কুকুৰ আদিয়ে উলিয়াই বাহিৰলৈ আনিব নোৱাৰে।

মৃদু লক্ষণ থকা/লক্ষণহীন ৰোগীৰ চিকিৎসা আৰু গৃহ আছুতীয়াকৰণ

৩০) ৰোগীসকলে চিকিৎসাকাৰী চিকিৎসা বিষয়াৰ সৈতে যোগাযোগ কৰিব লাগিব আৰু তৎক্ষণাৎ যিকোনো অৱনতিৰ ক্ষেত্ৰত প্ৰতিবেদন দিয়ক।

৩১) অন্য ৰোগৰ উপসর্গ থকা ৰোগী/আক্রান্ত ৰোগীয়ে চিকিৎসাকাৰী চিকিৎসা বিষয়াৰ পৰামর্শ অনুসৰি ঔষধসমূহ সেৱন কৰিব থাকিব পাৰিব।

৩২) ৰোগীয়ে জিলা/ৰাজ্যৰ দ্বাৰা উপলব্ধ কৰা টেলি-পৰামর্শ সেৱা গ্রহণ কৰিব পাৰিব। যদি বিচাৰে প্রশাসনে উপলব্ধ কৰা https://esanjeevaniopd.inৰ দ্বাৰা ই-সঞ্জীৱনী টেলি-পৰামর্শ সেৱাসমূহ/আন যিকোনো ব্যক্তিগত চিকিৎসালয়ৰ সেৱা উপলব্ধ কৰিব পাৰে।

৩৩) ৰোগীসকলৰ জ্বৰ, কাহ, নাকৰ পৰা পানী ওলোৱা আদি লক্ষণৰ পৰা বুজি উঠিব লাগিব যে তেওঁ এগৰাকী লক্ষণগত ৰোগী।

৩৪) ৰোগীসকলে গৰম পানীৰে গার্গল কৰিব পাৰে বা দিনে তিনিবাৰকৈ গৰম পানীৰ ভাপ উশাহত ল'ব পাৰে।

৩৫) যদি পেৰাচিটামল টেবলেট দিনে ৬৫০ মিঃগ্রাঃ চাৰিবাৰকৈ দিয়াৰ পিছতো জ্বৰ নিয়ন্ত্রণ হোৱা নাই তেন্তে চিকিৎসকৰ পৰামর্শ লওঁক।

৩৬) ছ'চিয়েল মিডিয়াৰ জৰিয়তে অ-প্রামাণিক আৰু তথ্য প্রমাণিত নোহোৱা চিকিৎসা বিধিসমূহে ৰোগীৰ ক্ষতি কৰিব পাৰে। ভুল তথ্যৰ ফলত আতংকৰ সৃষ্টি হয় আৰু অপ্রয়োজনীয় পৰীক্ষা আৰু চিকিৎসা পৰিহাৰ কৰাটো বাঞ্ছনীয়।

৩৭) চিকিৎসকৰ পৰামর্শ অবিহনে ৰোগীয়ে নিজস্বভাৱে সেৱন কৰা ঔষধ, তেজ পৰীক্ষা বা ৰেডিঅ'লজিকেল, বুকুৰ এক্স-ৰে বা বুকুৰ চিটি স্কেনৰ দৰে ইমেজিং কৰা পৰিহাৰ কৰিব লাগে।

৩৮) মৃদু ৰোগত ষ্টেৰইড সেৱন কৰা আৰু ইয়াক নিজস্বভাৱে সেৱন কৰাটো উচিত নহয়। ষ্টেৰইডৰ অত্যাধিক ব্যৱহাৰ আৰু অনুপযুক্ত ব্যৱহাৰৰ ফলত শৰীৰত অতিৰিক্ত জটিলতাৰ সৃষ্টি কৰিব পাৰে।

৩৯) প্রতিজন ৰোগীৰ চিকিৎসা ব্যক্তিগতভাৱে নিৰীক্ষণ কৰি সংশ্লিষ্ট ৰোগীৰ অৱস্থা অনুযায়ী কৰা চিকিৎসা কৰা প্রয়োজন আৰু এজন ৰোগীৰ প্রেছক্রিপশ্বনকে আন এগৰাকী ৰোগীৰ ক্ষেত্রত ব্যৱহাৰ কৰাটো পৰিহাৰ কৰিব লাগে।

৪০) অক্সিজেনৰ সংপৃক্ততা হ্রাস হোৱা বা উশাহ চুটি হোৱাৰ সময়ত, ব্যক্তিজনক চিকিৎসালয়ত ভর্তি কৰাৰ প্রয়োজন হয় তেন্তে ইয়াৰ বাবে তাৎক্ষণিকভাৱে চিকিৎসা বিষয়া/নিৰীক্ষণকাৰী দল/নিয়ন্ত্রণ কক্ষৰ সৈতে যোগাযোগ কৰি পৰামর্শ গ্রহণ কৰক।

৪১) গুৰুতৰ লক্ষণ বা লক্ষণসমূহ পূর্বতকৈ অধিক হ'লে তাৎক্ষণিক চিকিৎসা ব্যৱস্থা গ্রহণ কৰিব লাগে। লক্ষণসমূহ তলত দিয়াধৰণৰ—

ক) অনিয়ন্ত্রিত উচ্চ-স্তৰৰ জ্বৰ (৩ দিনতকৈ অধিক ১০০° ফাৰেনহাইটতকৈ বেছি)

খ) উশাহ লোৱাত অসুবিধা,

গ) অক্সিজেনৰ সংপৃক্ততা হ্রাস (কোঠাৰ বায়ুত অক্সিজেনৰ সংপৃক্ততা ১ ঘণ্টাৰ ভিতৰত কমেও ৩ বাৰ গণনা কৰাৰ পিছত ৯৩%) বা শ্বাস-প্রশ্বাসৰ হাৰ প্রতিমিনিটত ২৪তকৈ অধিক

ঘ) অহৰহ বুকুৰ বিষ/চাপ অনুভৱ, মানসিক বিভ্রান্তি বা অক্ষমতা অনুধাৱন কৰক,

ঙ) তীব্র ভাগৰ লগা আৰু পেশীৰ বিষ

৪২) গৃহ আছুতীয়াকৰণত থকা ৰোগীক কমেও ৭ দিন গৃহ আছুতীয়াকৰণত থকাৰ পিছত আছুতীয়াকৰণ সমাপ্ত হোৱা বুলি গণ্য কৰা হ'ব যদিহে উপযুক্ত পৰীক্ষাৰ দ্বাৰা একেৰাহে ৩ দিন ধৰি জ্বৰ নোহোৱা বুলি প্রমাণিত হয়। অৱশ্যে, তেওঁলোকে মাস্ক পিন্ধাটো অব্যাহত ৰাখিব লাগিব। লগতে তেওঁলোক অতিৰিক্ত ৭ দিনৰ বাবে হোম কোৱাৰেণ্টাইনত থাকিব।

৪৩) গৃহ আছুতীয়াকৰণৰ ম্যাদ শেষ হোৱাৰ পিছত পুনৰ পৰীক্ষা কৰাৰ কোনো প্ৰয়োজন নাই।

৪৪) সংক্ৰমিত ব্যক্তিৰ লক্ষণহীন সম্পৰ্কবোৰক ক'ভিড পৰীক্ষা কৰাৰ প্ৰয়োজন নাই, কিন্তু হোম কোৱাৰেণ্টাইনত থকা ব্যক্তিৰ তেওঁৰ স্বাস্থ্যৰ স্থিতি নিৰীক্ষণ কৰিব লগিব। যদি সময়ে সময়ে লক্ষণবোৰ দেখা দিয়ে, সেই অনুসৰি পৰীক্ষা অথবা অন্যান্য ব্যৱস্থা গ্ৰহণ কৰিব লগিব।

এই সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই পৰিবৰ্ধিত নীতি-নিদেৰ্শনাসমূহ জাৰি কৰা হয় আৰু ক'ভিড মহামাৰীৰ বিকশিত প্ৰকৃতিৰ ওপৰত আধাৰিত কৰি পৰৱৰ্তী সময়ত ইয়াক সংশোধন কৰা হ'ব পাৰে।

(**অনুৰাগ গোৱেল,** *আইএএছ*)
অসম চৰকাৰৰ প্ৰধান সচিব
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

মেমো নং- এইচএলএ.২৭৪/২০২০/১৭৮-এ

দিছপুৰ, ৮ জানুৱাৰী, ২০২২

প্ৰতিলিপি ঃ

১) মুখ্য সচিব, অসম।
২) আৰক্ষী সঞ্চালকপ্ৰধান, অসম।
৩) প্ৰধান সচিব, মাননীয় মুখ্যমন্ত্ৰী, অসম।
৪) প্ৰধান সচিব, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ।
৫) প্ৰধান সচিব, গৃহ আৰু ৰাজনৈতিক বিভাগ, অসম।
৬) এ.ডি.জি.পি. (এল.এণ্ড.অ'.)/এ.ডি.জি.পি. (এছ.), অসম।
৭) মুখ্য কাৰ্যবাহী বিষয়া, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ ।
৮) অসম চৰকাৰৰ আয়ুক্ত সচিব, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ।
৯) মিছন সঞ্চালক, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, গুৱাহাটী, অসম।
১০) পৰিচালন সঞ্চালক, এএমএছচিএল।
১১) প্ৰধান সচিব, সমূহ স্বায়ত্তশাসিত পৰিষদ, অসম।
১২) জিলাসমূহৰ উপায়ুক্ত/আৰক্ষী অধীক্ষক।
১৩) প্ৰয়োজনীয় পদক্ষেপৰ বাবে স্বাস্থ্য সেৱা সঞ্চালক, অসম।
১৪) আয়ুষৰ সঞ্চালক/চিকিৎসা শিক্ষা সঞ্চালক/স্বাস্থ্য সেৱা সঞ্চালক(এফ ডব্লিউ) অসম/কাৰ্যবাহী বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন/ক'ভিড-১৯ৰ ৰাজ্যিক নোডেল বিষয়া/অতিৰিক্ত ডিএমই/অ'এছডি এনএইচএম/১০৪ কল চেণ্টাৰ।
১৫) সমূহ প্ৰধান তথা মুখ্য অধীক্ষক/অধীক্ষক, চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়, অসম।
১৬) অতিৰিক্ত স্বাস্থ্য সেৱা সঞ্চালক, অসম, হেণ্ডেৰাবাৰী, গুৱাহাটী।
১৭) সমূহ জিলাৰ যুটীয়া সঞ্চালক, স্বাস্থ্য সেৱা বিভাগ, অসম।
১৮) পি.এছ. (মাননীয় মুখ্যমন্ত্ৰী মহোদয়) দিছপুৰ, অসম।
১৯) পি.এছ. (মাননীয় মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, অসম)
২০) সংশ্লিষ্ট বিষয়াসকল।

অৰ্ডাৰ আদিৰ দ্বাৰা।

অসম চৰকাৰৰ যুটীয়া সচিব
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

পৰিশিষ্ট - ১ ঃ ক'ভিড প'জিটিভ ৰোগীৰ বাবে গৃহ আছুতীয়াকৰণৰ প্ৰতিশ্ৰুতিপত্ৰ

প্ৰতি,

উপায়ুক্ত মহোদয়

..... জিলা।

মই, ... বয়স..... পুত্ৰ/জীয়াৰী/পত্নী ..... ক'ভিড-১৯ প'জিটিভ ৰোগী হিচাপে চিনাক্ত হোৱাৰ পিছত, নিৰ্ধাৰিত ম্যাদৰ বাবে সকলো সময়তে কঠোৰ গৃহ আছুতীয়াকৰণৰ নীতি-নিদেৰ্শনা মানি চলিবলৈ স্বেচ্ছাই প্ৰতিশ্ৰুতিবদ্ধ।

ইয়াৰ দ্বাৰা ঘোষণা কৰা হয় যে, মই লক্ষণহীন আৰু প্ৰাথমিকভাৱে এগৰাকী চিকিৎসকৰ পৰীক্ষাৰ দ্বাৰা সুস্থ অৱস্থাত আছো আৰু মোৰ কোনোধৰণৰ বৃক্ক ৰোগ, হৃদৰোগ, ষ্ট্ৰোক, যক্ষ্মা, কৰ্কট ৰোগ, এইচ.আই.ভি., দুৰ্বল অথবা ৰোগ প্ৰতিৰোধৰ স্থিতি আদিকে ধৰি কোনো গুৰুতৰ ৰোগজনিত স্থিতি আছে/নাই।

মই, চিকিৎসালয়ৰ বাহিৰত গৃহ আছুতীয়াকৰণত থকাৰ বিপদাশংকাবোৰ সম্পূৰ্ণভাৱে বুজি পাওঁ আৰু মোৰ গৃহ আছুতীয়াকৰণৰ ফলত উদ্ভৱ হ'ব পৰা যিকোনো জটিলতাৰ ক্ষেত্ৰত অসম চৰকাৰক কোনো ধৰণে দায়ী বুলি দাবী নকৰো।

এই সময়ছোৱাত, মই মোৰ স্বাস্থ্য নিৰীক্ষণ কৰিম আৰু চৰকাৰী অধিসূচনা নং..... তাৰিখ ..... জানুৱাৰী, ২০২২।

মই, প্ৰয়োজন অনুসৰি সকলো সময়তে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সৈতে সহযোগিতা কৰিম আৰু বিভাগে দিয়া যিকোনো পৰামৰ্শ একান্তচিত্তে পালন কৰিম।

গৃহ আছুতীয়াকৰণৰ বিধি-নিৰ্দেশনা অনুসৰণ নকৰিলে/উলংঘন কৰিলে নিৰ্ধাৰিত আইনৰ অধীনত মই কাম কৰিবলৈ দায়বদ্ধ।

গৃহ আছুতীয়াকৰণত থকা ৰোগীৰ স্বাক্ষৰ	দায়িত্বশীল ব্যক্তি/যত্ন লওঁতাৰ স্বাক্ষৰ (ঘৰৰ সদস্য) ৰোগীৰ সৈতে সম্পৰ্ক
নাম ঃ	নাম ঃ
বয়স/লিংগ ঃ	বয়স/লিংগ ঃ
তাৰিখ ঃ	তাৰিখ ঃ
যোগাযোগৰ নম্বৰ ঃ	যোগাযোগৰ নম্বৰ ঃ